# Assamese Bulletin/Dibrugarh/17-05-12/6pm

নামনি অসমৰ বিভিন্ন জিলাত সদৌ বড়ো ছাত্ৰ সন্থা আৰু অ-বড়ো নিৰাপত্তা মঞ্চৰ মাজত আন্দোলনৰ সময়ত সংঘৰ্ষৰ সূত্ৰপাত হয়। ছাত্ৰ সংগঠনটোৱে তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত নামনি অসমৰ বিভিন্ন ঠাইত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ বিপৰীতে অ-বড়ো মঞ্চই বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ পৰা অ-বড়ো সকলক বহিষ্কাৰ কৰাৰ দাবীত ১২ ঘন্টীয়া অসম বন্ধৰ আহ্বান জনাইছিল। দুয়োটা সংগঠনে আগভাগ লোৱা এই প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত বাক্সা জিলাৰ গোৰেশ্বৰ আৰক্ষী থানাৰ অন্তৰ্গত ভগপুৰ অঞ্চলত দুয়োটা দলৰ কৰ্মকৰ্তাসকলৰ মাজত হোৱা সংঘৰ্ষৰ ফলস্বৰূপে আঠজন ব্যক্তি আহত হয়। উল্লেখযোগ্য যে, বড়ো ছাত্ৰ সংগঠনটোৰ পাঁচ হাজাৰতকৈ অধিক কৰ্মকৰ্তাই পুৱাৰে পৰা নলবাৰীৰ ঘগ্ৰাপাৰ আৰু ৰঙিয়াৰ ভেটাকুচি অঞ্চলত বড়ো মাধ্যমৰ শিক্ষা প্ৰদানৰ কাৰণে পৃথক সঞ্চালকালয় গঠনকে ধৰি অন্যান্য দাবীৰ সমৰ্থনত ৰাষ্ট্ৰীয় ঘাইপথ অবৰোধ কৰিছিল। ৰঙিয়া মহকুমাৰ আৰক্ষী বিষয়া মৃণাল ডেকাই প্ৰকাশ কৰা মতে, পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ দুয়োটা সংগঠনৰ প্ৰায় এহেজাৰ আন্দোলনকাৰীক আটক কৰাৰ লগতে অঞ্চলটোত অতিৰিক্ত নিৰাপত্তাৰক্ষী বিষয়া নিয়োজিত কৰা হৈছে।

00000000000000

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বিদ্যুতৰ উৎপাদন তথা যোগান নিয়মীয়া কৰিবলৈ আন্তঃগাঁথনি বিকাশৰ উদ্দেশে বিশ্ব বেংকে তেৰ হাজাৰ কোটি টকাৰ পুঁজি আগবঢ়াব। Power Grid Corporation of India ৰ অধ্যক্ষ আৰ. এন. নায়কে আজি শিলচৰত উপস্থিত হৈ এই কথা প্ৰকাশ কৰাৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বিদ্যুতৰ অভাৱ দূৰ কৰিবলৈ কম্পেনীটোৱে বহু হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন প্ৰকল্প ৰূপায়ণ কৰিছে বুলি উল্লেখ কৰে। অধ্যক্ষজনে শিলচৰৰ শ্ৰীকোণাত নতুনকৈ নিৰ্মিত বিদ্যুৎ উপকেন্দ্ৰ এটা পৰিদৰ্শনৰ সময়ছোৱাত এই উপকেন্দ্ৰলৈ ত্ৰিপুৰাৰ Palatanaৰ পৰা যোগান ধৰা সাতশ ২৬ মেগাৱাট বিদ্যুৎ অসম, ত্ৰিপুৰা, মেঘালয়, মণিপুৰ আৰু

মিজোৰামলৈ বিতৰণ কৰা হ'ব বুলিও সদৰী কৰে। উল্লেখযোগ্য যে, পাৱাৰগ্ৰীড নিগমৰ তত্বাৱধানত অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ বৰ্ণিহাটত  আঠশ কিলোৱাট সম্পন্ন দুটা উপকেন্দ্ৰ নিৰ্মাণৰ কাৰ্যসূচী হাতত লোৱা হৈছে।

00000000000000

আজি বিয়লি বোকাখাটৰ সমীপত সংঘটিত হোৱা এক পথ দূৰ্ঘটনাত দুগৰাকী লোক থিতাতে নিহত হোৱাৰ লগতে অন্য তিনিগৰাকী ব্যক্তি গুৰুতৰ ভাৱে আহত হয়। আহত লোক কেইজনক যোৰহাট চিকিৎসা মহাবিদ্যালয় হস্পিটেললৈ স্থানান্তৰ কৰা হৈছে। ঘটনাৰ বিৱৰণি অনুসৰি গুৱাহাটীত অনুষ্ঠিত এক প্ৰতিযোগিতামূলক পৰীক্ষাত ভাগ লোৱাৰ পিছত নিজ কন্যাকে ধৰি পৰিয়ালসহ উভতি অহাৰ পথত তেওঁলোকৰ গাড়ীখনে এখন ডাম্পাৰৰ লগত মুখামুখিকৈ খুন্দা মৰাৰ ফলতেই এই দূৰ্ঘটনাটো ঘটিবলৈ পায়। ঘটনাটোত ভাৰতীয় জীৱন বীমা নিগমৰ ডিব্ৰুগড় সংমণ্ডলৰ উন্নয়ন বিষয়া বৰুণ হাজৰীকা আৰু তেওঁৰ কন্যাৰ থিতাতে মৃত্যু ঘটাৰ লগতে শ্ৰী হাজৰীকাৰ পৰিবাৰ, পুত্ৰ আৰু এগৰাকী খুলশালীয়েকক সংকটজনক অৱস্থাত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে।

00000000000000

ৰাজ্যখনত অনুষ্ঠিত হোৱা শিক্ষকৰ যোগ্যতা নিৰূপণ পৰীক্ষা চমুকৈ টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ নিযুক্তিৰ প্ৰথমখন তালিকা কালি সন্ধিয়া ঘোষণা কৰা হৈছে। এই তালিকাৰ ভিত্তিত ৰাজ্যখনৰ বিভিন্ন জিলাত খালী হৈ থকা বিদ্যালয়সমূহৰ বাবে ২৬ হাজাৰ এশ প্ৰাৰ্থীক শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। ইয়াৰ ভিতৰত ১৮ হাজাৰ ২৯২ জন প্ৰাৰ্থীক নিম্ন প্ৰাথমিক বিদ্যালয়ৰ বাবে আৰু ২ হাজাৰ ১২০জন প্ৰাৰ্থীক উচ্চ প্ৰাথমিক বিজ্ঞান শাখাত নিযুক্তি দিয়া হ'ব। এই প্ৰাৰ্থীসকলে অহা ২০ মে'ত গুৱাহাটীৰ সৰুসজাইত অনুষ্ঠিত হ'বলগীয়া এক বিশেষ অনুষ্ঠানত নিজৰ নিযুক্তি-পত্ৰ লাভ কৰিব বুলি শিক্ষামন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

00000000000000

শিৱসাগৰ জিলাৰ আইদেউ পুখুৰী আৰু আইদেউ বাৰী বাগান দুখনৰ মাজেদি যোৱা গেছ পৰিবাহী পাইপ লাইনৰ কাষত আলফাৰ শান্তি আলোচনা বিৰোধী গোটে স্থাপন কৰা এটা শক্তিশালী আই ই ডি বোমা আজি উদ্ধাৰ কৰা হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে, প্ৰায় তিনি কিলোগ্ৰাম ওজনৰ বোমাটো ৭৭ ৰেজিমেন্টৰ পহৰাদাৰী সেনা

জোৱানসকলে চৰাইদেউ মহকুমাৰ সোণাৰী আৰক্ষী থানাৰ অন্তৰ্গত টীয়ক ঘাট অঞ্চলৰ পৰা উদ্ধাৰ কৰে আৰু পিছত বোমা বিশেষজ্ঞই বোমাটো নিষ্ক্ৰিয় কৰে। জিলাখনত উগ্ৰপন্থী সংগঠন আলফাই কূটাঘাটমূলক কাৰ্যকলাপ অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত এই ঘটনাৰ আঁৰত আলফা জড়িত হৈ আছে বুলি নিৰাপত্তাবাহিনীয়ে সন্দেহ প্ৰকাশ কৰিছে।

00000000000000

কাৰ্বি আংলং জিলাত আৰক্ষী আৰু সেনাবাহিনীয়ে চলোৱা এক যুটীয়া অভিযানত উগ্ৰপন্থী সংগঠন Karbi People's Liberation Tigersৰ এজন সদস্য নিহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, বোকাজান মহকুমাৰ শান্তিপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰংঘাৰী গাঁৱত সংগঠনটোৰ পাঁচজন সদস্য শিবিৰ পাতি থকাৰ সম্ভেদ পাই তেওঁলোকে অভিযান আৰম্ভ কৰিছিল। তেওঁলোকৰ পৰা আৰক্ষীয়ে এটা AK 56 ৰাইফল, এটা মেগজিন আৰু বহু পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে। কাৰ্বি আংলঙৰ আৰক্ষী অধীক্ষক বি. বি. চেত্ৰীয়ে প্ৰকাশ কৰা মতে সংগঠনটোৰ অন্যান্য সদস্যসকলৰ অনুসন্ধানত আৰক্ষীয়ে তেওঁলোকৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। উল্লেখযোগ্য যে, সংগঠনটোৰ কেইবাজনো সদস্যই আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিছে।

00000000000000

মৰিগাঁও জিলাৰ জাগীৰোড থানাৰ অন্তৰ্গত পালিগুৰিত কালি এক ট্ৰাকত বৃহৎ পৰিমাণৰ ম'হৰ শিং জব্দ হোৱা ঘটনাৰ সন্দৰ্ভত নগাঁও জিলা বন্যপ্ৰাণী সংমণ্ডলে এক বিভাগীয় তদন্ত ঘোষণা কৰিছে। উল্লেখযোগ্য যে, চোৰাং চিকাৰীৰ সহযোগত এক সমাজ বিৰোধী চক্ৰই ৰাজ্যখনৰ বিভিন্ন অভয়াৰণ্যত ম'হ নিধন কৰি ইয়াৰ শিং আৰু ছালৰ ব্যৱসায় কৰি অহা কাণ্ড কালি জাগীৰোডৰ সমীপত ধৰা পৰে। এই ঘটনাটোৰ সন্দৰ্ভত জাগীৰোড আৰক্ষীয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে বাংলাদেশলৈ প্ৰেৰণ কৰা এখন ট্ৰাকৰ পৰা ম'হৰ শিং জব্দ কৰে। এই ঘটনাৰ প্ৰতিবাদত বিভিন্ন প্ৰকৃতিপ্ৰেমী সংগঠনে ব্যাপক হাৰত বনৰীয়া ম'হ নিধন কাৰ্য্যক গৰিহণা দিয়াৰ লগতে ইয়াৰ লগত জড়িত দোষী ব্যক্তিক গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়।

0000000000000000000000000000000000000000

**(সমাপ্ত)**